# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 29-04-2024
**Time :** 1715 Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***

**:::::::::::::::::::::::::::::::::::::::**

## HEADLINES

ৰাজ্যৰ তৃতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ প্ৰচাৰৰ বাবে বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি গুৱাহাটীত উপস্থিত হৈছে। শ্ৰী শ্বাহে বিশেষ বিমান যোগে কিছুসময় পূৰ্বে লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰত অৱতৰণ কৰে। তেওঁ গুৱাহাটী লোকসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী বিজুলী কলিতা মেধিৰ হৈ নিৰ্বাচনী প্ৰচাৰত অংশ ল'ব। শ্ৰী শ্বাহে চাইকেল ফেক্টৰী তিনিআলিৰ পৰা লালগণেশলৈ ৰোড শ্ব'ত অংশগ্ৰহণ কৰি প্ৰচাৰ চলাব। ৰাজ্যৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাও শ্ৰীশ্বাহৰ সৈতে ৰোড শ্ব'ত উপস্থিত থাকিব।

ইপিনে, গুৱাহাটী লোক সভা সমষ্টিৰ প্ৰাৰ্থী বিজুলী কলিতা মেধিয়ে আজি ডিমৰীয়া সমষ্টিৰ তাতিমৰাৰ লগতে ঠাকুৰকুছি নিৰ্বাচনী প্ৰচাৰ চলায় ৰাইজৰ সৈতে মত বিনিময় কৰে। একেখন আসনৰ বাবে কংগ্ৰেছ প্ৰাৰ্থী মীৰা বৰঠাকুৰেও আজি বিভিন্ন অঞ্চলত প্ৰচাৰ চলায়। তেওঁ খানাপাৰাত ৰাইজৰ সৈত মত বিনিময় কৰি সংবিধান ৰক্ষাৰ স্বাৰ্থত বিবেকেৰে ভোট দিবলৈ আহ্বান জনায়। প্ৰাৰ্থীগৰাকীৰ সমৰ্থনত চি পি আই এম এলৰ উদ্যোগত মহানগৰৰ পৰা গ্ৰামাঞ্চললৈ প্ৰচাৰ চলোৱা পৰিলক্ষিত হৈছে। আজি দলটোৰ উদ্যোগত পানীখাইতি পঞ্চায়তৰ অন্তৰ্গত বীৰকুছি, তালতলা, পানীখাইতি, ৰাজাবাৰী, ছপাইডাং, বোন্দা অঞ্চলৰ বিভিন্ন গাঁৱৰ ঘৰে ঘৰে প্ৰচাৰ পত্ৰ বিতৰণ কৰাৰ লগতে পথ সভা অনুষ্ঠিত হয়।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি নলবাৰী জিলাৰ কেইবাটাও স্থানত বৰপেটা সমষ্টিৰ বিজেপি মিত্ৰজোঁট সমৰ্থিত প্ৰাৰ্থী ফণীভূষণ চৌধুৰীৰ হৈ প্ৰচাৰ চলায়। তেওঁ বৰক্ষেত্ৰী, হাজো আৰু সৰুপেটাত প্ৰচাৰ চলায়।

মন্ত্ৰী পীযুষ হাজৰিকাই কোকৰাঝাৰ লোকসভা সমষ্টিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীৰ হৈ বাক্সা জিলাৰ বৰমাত প্ৰচাৰ চলায়। ইপিনে, মানকাচৰ বিধানসভা সমষ্টিত ধুবুৰী সমষ্টিৰ এ আই ইউ ডি এফ প্ৰাৰ্থী বদৰুদ্দিন আজমলে কেইবাখনো নিৰ্বাচনী সভাত অংশ লয়।

আনহাতে অসম গণ পৰিষদ দলৰ গোৱালপাৰা পূব বিধানসভা সমষ্টিৰ উদ্যোগত মিত্ৰজোঁট তথা অগপ প্ৰাৰ্থী জাবেদ ইছলামৰ সমৰ্থনত গোৱালপাৰা চহৰৰ হাতীপাৰাত নিৰ্বাচনী প্ৰচাৰ সভা অনুষ্ঠিত হয়। সভাত অগপ নেতা তথা মন্ত্ৰী অতুল বৰাই অংগ্ৰহণ কৰে। ইয়াৰ উপৰি তেওঁ গোৱালাপাৰাৰ হেলাপাখিৰি আৰু চেঁচাপানীত অনুষ্ঠিত  নিৰ্বাচনী সভাত অংশ লৈ বিজেপি সমৰ্থিত প্ৰাৰ্থীগৰাকীৰ হৈ প্ৰচাৰ চলায়।

০০০০০০

নিৰ্বাচন আয়োগে ষষ্ঠ পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে অধিসূচনা জাৰি কৰিছে। এই পৰ্যায়ত ৬খন ৰাজ্য আৰু এখন কেন্দ্ৰীয়শাসিত অঞ্চলৰ মুঠ ৫৭টা সংসদীয় সমষ্টিৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব। দিল্লীৰ ৭ খন আসন, হাৰিয়ানাৰ ১০ খন, উত্তৰ প্ৰদেশৰ ১৪ খন, বিহাৰ আৰু পশ্চিমবংগৰ ৮ খনকৈ, ওড়িশাৰ ৬ খন

আৰু ঝাৰখণ্ডৰ ৪খন আসনৰ বাবে ষষ্ঠ পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। এই পৰ্যায়ত প্ৰাৰ্থীসকলে অহা ৬ মে'লৈ মনোনয়ন দাখিল কৰিব পাৰিব। ৭ মে'ত মনোনয়ন পত্ৰৰ পুনৰীক্ষণ হ'ব আৰু ইচ্ছুক প্ৰাৰ্থীয়ে মে' মাহৰ ৯ তাৰিখলৈ মনোনয়ন প্ৰত্যাহাৰ কৰিব পাৰিব। উল্লেখযোগ্য যে অহা ২৫ মে'ত এই পৰ্যায়ৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব আৰু ৪ জুনত সকলো পৰ্যায়ৰ একেলগে ভোটগণনা কৰা হ'ব।

০০০০০০

ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে আজি কোকৰাঝাৰ লোকসভা সমষ্টিৰ অন্তৰ্গত তিনিটা বিধানসভা সমষ্টিত নিৰ্বাচনী প্ৰস্তুতিৰ বুজ লয়। গোসাঁইগাঁও আৰু বিজনীত শ্ৰীগোৱেলে নিৰ্বাচনী বিভিন্ন কাম-কাজ পৰ্যালোচনা কৰাৰ লগতে চিৰাং আৰু ছিডলী নিৰ্বাচনী জিলাৰ প্ৰস্তুতি সন্দৰ্ভত কাজলগাঁও জিলাৰ নিৰ্বাচনী বিষয়া পি বিজয় ভাস্কৰ ৰেড্ডী আৰু আৰক্ষী অধীক্ষক প্ৰাণজিৎ বৰাৰ লগতে অন্যান্যসকলৰ সৈতে আলোচনা কৰে। বৈঠকৰ অন্তত মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে সংবাদ মাধ্যমৰ আগত কয় যে, তৃতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে চাৰিওটা সমষ্টিৰ অন্তৰ্গত নিৰ্বাচনী জিলাসমূহত প্ৰয়োজনীয় প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। বিষয়াগৰাকীয়ে আজি কাজলগাঁৱত স্থাপন কৰা ষ্ট্ৰং ৰুম আৰু ভোটগণনা কেন্দ্ৰ পৰিদৰ্শন কৰে। তেওঁ লগতে কয় যে, নিৰ্বাচন শান্তিপূৰ্ণ আৰু নিয়াৰিকৈ অনুষ্ঠিত হোৱাটো নিশ্চিত কৰিবলৈ সকলো ব্যৱস্থা লোৱা হৈছে। সমষ্টিসমূহত ভোটগ্ৰহণৰ বাবে পৰ্যাপ্ত সংখ্যক ই ভি এম মজুত কৰাৰ লগতে ভোটগ্ৰহণ কেন্দ্ৰলৈ ই ভি এমসহ বিষয়াসকলক লৈ যাবলগীয়া বাহনসমূহত জি পি এছ সংলগ্ন কৰা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে। তদুপৰি, কোনো ভোটকেন্দ্ৰত ই ভি এমৰ কাৰিকৰী বিজুতি ঘটিলে ততালিকে ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও শ্ৰী গোৱেলে প্ৰকাশ কৰে।

০০০০০০

লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ত দেশৰ ১২ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৯৪টা সমষ্টিৰ বাবে অহা ৭ মে'ত ভোটগ্ৰহণ কৰা হ'ব। এই পৰ্যায়ত এহেজাৰ ৩৫১ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। ইয়াৰ ভিতৰত ১২৩ গৰাকী মহিলা প্ৰাৰ্থী। প্ৰাৰ্থীসকলৰ ভিতৰত ৫৯১ গৰাকী স্নাতক বা স্নাতকোত্তৰ পৰ্যায়ৰ অৰ্হতা আছে। আনহাতে ৪১১ গৰাকী প্ৰাৰ্থী ২৫ৰ পৰা ৪০ বছৰ বয়সৰ ভিতৰৰ আৰু ৭১২ গৰাকী ৪১ৰ পৰা ৬০ৰ ভিতৰৰ। উল্লেখযোগ্য যে, প্ৰথম পৰ্যায়ত ১৯ এপ্ৰিলত দেশৰ ১০২টা সমষ্টিত আৰু দ্বিতীয় পৰ্যায়ত ২৬ এপ্ৰিলত ৮৮টা সমষ্টিত ভোটগ্ৰহণ অনুষ্ঠিত হৈছিল। আনহাতে, প্ৰথম পৰ্যায়ত এহেজাৰ ৬২৫ গৰাকী আৰু দ্বিতীয় পৰ্যায়ত এহেজাৰ ১৯৮ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। তৃতীয় পৰ্যায়ত অসমত ৪ খন, বিহাৰৰ ৫, ছত্তিশগড়ৰ ৭, গোৱাৰ দুখন, গুজৰাটৰ ২৬, কৰ্ণাটকৰ ১৪, মধ্যপ্ৰদেশৰ ৮, মহাৰাষ্ট্ৰৰ ১১, উত্তৰ প্ৰদেশৰ ১০, পশ্চিমবংগৰ ৪ তথা দাদৰা আৰু নগৰ হাভেলী, দমন আৰু দিউৰ দুখনকৈ তথা জম্মু আৰু কাশ্মীৰৰ এখন আসনৰ বাবে ভোটগ্ৰহণ কৰা হ'ব।

০০০০০০

বি ডব্লিউ এফ থমাছ আৰু উবাৰ কাপ ২০২৪ত ভাৰতীয় পুৰুষ দলে গ্ৰুপ-চিৰ খেলত ইংলেণ্ড দলৰ বিৰুদ্ধে ৫-০ গলত জয়লাভ কৰি কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰে।

০০০০০০

ঃসমাপ্তঃ